জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৭০৪/২০২০

# বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিবিদ আব্দুল চুভানৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৬ অক্টোবৰ ঃ** অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ সদস্য, বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিবিদ আব্দুল চুভানৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত আব্দুল চুভানে আমাৰ সমাজ জীৱনলৈ যি অনন্য অৰিহণা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ এগৰাকী সদস্য হিচাপে সংখ্যালঘুসকলৰ উন্নয়নৰ বাবে তেখেতে যথেষ্ট অৰিহণা যোগাই গৈছে। সততা আৰু নিষ্ঠাৰে জীৱন নিৰ্বাহ কৰা প্ৰয়াত আব্দুল চুভানে ৰাজনৈতিক ক্ষেত্ৰখনতো মূল্যবোধৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰি গৈছে। নলবাৰী জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ দিশতো তেখেতে উল্লেখযোগ্য অৰদান আগবঢ়াই গৈছে। বিশিষ্ট সমাজকৰ্মী তথা ৰাজনীতিবিদগৰাকীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত আব্দুল চুভানৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৬/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in